সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩১ সংখ্যা, ২২ শাওণ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪
RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 31 *Date Of Publication - 8August 2021 Rs. 5.00/-

## ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ সন্মানসূচক বঁটা মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা হিচাপে নামাকৰণ

বাৰ্ত্তাসেৱা — শুক্ৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ সন্মানসূচক বঁটা 'হকী হিৰো'ৰ নাম সলনি কৰি ক্ৰীড়াক্ষেত্ৰৰ কিংবদন্তি ধ্যান চান্দৰ নামেৰে দেশৰ ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ সন্মানটোৰ নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে শুক্ৰবাৰে এই বঁটাৰ নাম সলনি কৰি 'মেজৰ ধ্যানচান্দ খেলৰত্ন বটা' হিচাপে নামাকৰণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰি কয় যে বিগত সময়ছোৱাত সমগ্ৰ দেশৰ পৰাই তেওঁ ক্ৰীড়াক্ষেত্ৰৰ সৰ্বোচ্চ সন্মান এই বঁটাটোৰ নাম সলনি কৰিবলৈ অনুৰোধ লাভ কৰি আহিছিল । প্ৰধানমন্ত্ৰীয়ে টুইটাৰযোগে প্ৰকাশ কৰে যে সমগ্ৰ দেশবাসীৰ পৰাই মই বহু অনুৰোধ লাভ কৰিছিলো যে খেলৰত্ন বঁটাটো মেজৰ ধ্যান চান্দৰ নামেৰে নামাংকৃত হ'ব লাগে । মই তেওঁলোকৰ

(পাঁচপৃষ্ঠাত চাওক)



## জাননী



এই গৃহবন্দী সময়ছোৱাত সন্দিহান মনবোৰক অকনমান সেউজী কৰাৰ মানলেৰে আমি আপোনালোকৰ মাজলৈ লৈ আহিছো এটি সুখৰ বতৰা। আপোনালোকে কেৱল আপোনালোকৰ সুপ্ত প্ৰতিভা জাগ্ৰত কৰক গল্প, উপন্যাস, প্ৰবন্ধ, অনুগল্প, কবিতা, হাঁহিৰ থুনপাক ! ৰহঘৰা, ছবি ইত্যাদিৰ জড়িয়তে। আৰু এইবিলাক সুন্দৰকৈ লিখি পঠিয়াওক আমালে। আমি আপোনালোকৰ প্ৰতিভাক প্ৰকাশৰ ৰূপ দিম আমাৰ মৰমৰ ই ৰঙিলী বাৰ্তাৰ যোগেদি। অ' এইখিনিতে আৰু এটা কথা ক'বলৈ থাকিয়েই গৈছে আমাৰ কন কন মইনাহঁতে আৰু মহিলা ! ছোৱালীসকলে নিজৰ এখন সুন্দৰ ফটোও ইয়াৰ জড়িয়তে চাব পাৰিব। গতিকে সোনকালে ম'বাইল ফোনটো উলিয়াই আমাক যোগাযোগ কৰক ঃ-

**E-mail : rongilibarta@gmail.com**
Whatsapp/Phone No. : 9854215286/ 8638732821/ 9957045203
**visit - www.rongilibarta.com**
Follow us on Facebook,instagram & Twitter fordaily updates...

## টকিঅ' অলিম্পিকত ভাৰতৰ প্ৰথম স্বৰ্ণ পদক জয়



বাৰ্ত্তাসেৱা — ভাৰতীয় জেভেলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাই অলিম্পিকত এথলেটিকছত স্বৰ্ণ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হৈছে। ২৩ বছৰীয়া যুৱকজনে টকিঅ' অলিম্পিকত ৮৭.৫৮ মিটাৰ শ্ৰেষ্ঠ থ্ৰোৰে জেভলিন থ্ৰোৰ ফাইনেলত বিজয়ী হৈছিল। নীৰজৰ এই স্বৰ্ণ জয় ১৯০০ চনৰ গেমছৰ পৰা এতিয়ালৈ এথলেটিকছত ভাৰতৰ প্ৰথম অলিম্পিক পদক, য'ত নৰমান গিলবাৰ্ট প্ৰিচাৰ্ডে দুটা ৰূপৰ পদক (২০০ মটাৰ আৰু ২০০ মটাৰ হৰ্ডলছ) জিকিছিল।

# অসমৰ ভূমিৰ এক ইঞ্চি ভূমিও মিজোৰামক এৰি দিয়া নহবঃ ৰাণা প্ৰতাপ বৰুৱা

বাৰ্ত্তাসেৱা- অসমৰ এক ইঞ্চি ভুমিও মিজোৰামক এৰি দিয়া নহব। মাটিক লৈ কোনো কাৰণতেই আপোচ কৰা নহব।অসমৰ মাটিৰ স্বাৰ্থত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ সদায় মুখ্যমন্ত্ৰীৰ লগত থাকিব।মিজোৰাম চৰকাৰে মুখ্যমন্ত্ৰী গৰাকীৰ ওপৰত যি গোচৰ তৰিছে, সেইয়া মানি লব নোৱাৰো- এই মন্তব্য অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাৰ। দেওবাৰে অৰ্থাৎ ১ আগষ্টত নলবাৰীৰ চহৰৰ সমীপৱৰ্তী জাপাৰকুছি গ্ৰাম্য পুথিভঁৰাল প্ৰাংগনত অনুষ্ঠিত হোৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদৰ অভিবৰ্তন অনুষ্ঠানত এইদৰে মন্তব্য কৰে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি গৰাকীয়ে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে পুৱাৰ ভাগত পৰিষদৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰে ক্ৰমে পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শৰ্মা আৰু সাধাৰণ সম্পাদক কৌশিক বৰ্মনে।তাৰ পিছতেই জাতীয় মহিলা পৰিষদৰ বিশেষ অভিবৰ্তন খন আনুষ্ঠানিক ভাবে শুভ উদ্বোধন কৰে যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণা প্ৰতাপ বৰুৱাই। পৰিষদৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মনে আঁত ধৰা আৰু সভাপতি পাৰ্থপ্ৰতীম শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উক্ত অভিবৰ্তন খনত উপস্থিত থাকি ভাষণ আগবঢ়ায় ক্ৰমে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ সভাপতি বিশ্বজিত বৰুৱা, ভবেশ কাকতি, সহকাৰী সাধাৰণ সম্পাদক বিজন বায়ন, শিক্ষা সম্পাদক মৃনাল কুমাৰ বৰ্মনে।উক্ত সভাতেই জাতীয় মহিলা পৰিষদ গঠনৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱা সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ উপদেষ্টা প্ৰণৱজ্যোতি কলিতাক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, বিষয় বাচনি সভাত পম্পী দেৱীক সভানেত্ৰী, জুতিকা শৰ্মাক সাধাৰণ সম্পাদিকা, কুণ্ডশ্ৰী বৰ্মন আৰু টুটুমনি শৰ্মাক উপ সভানেত্ৰী, অৰ্চনা দত্ত আৰু মৃদুস্মিতা ৰাজবংশীক যুটীয়া সম্পাদিকা হিচাপে লৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন "জাতীয় মহিলা পৰিষদ"ৰ, নলবাৰী জিলা সমিতি খন গঠন কৰা হয়।

## হে' ঈশ্বৰ

**ৰূপালী মহন্ত**

সুধিছো তোমাক
শান্তিৰ শেষত
মোৰ শব্দৰ মালাধাৰি
হ'বনে গাথা
প্ৰাণৰ আকুতিৰে
কৰিলো পুৱা-গধুলি
কত'নো পূজা
এতিয়া ক্ষণ নাই
ধূপ-ধুনা নৈবেদ্যৰে
জনাবলৈ সেৱা
শান্ত এতিয়া।
সময় ক'ত??
ৰ'দৰ তীব্ৰতাত
দু:সহ বেদনাৰে
জীৱনক মহীয়ান কৰা
হিচাপ বহীখনত
আৰু নিলিখো
শেষ অৰ্ঘলৈ বেছিপৰ নাই
হে ঈশ্বৰ
ৰহনসনা কথাবোৰ
শুনিবৰ সময় ক'ত?
জীৱন জিৰণি লোৱাৰ সময়
নিদ্ৰাভংগ নহয় কেতিয়াও
তুমি দিয়া গুণবোৰ
এৰিলো সকলো
দাম্ভিকতা কপটতাত
মগ্ন নহওঁ
শান্তিৰ চৰাই দুটি
গ'লগৈ বহু দূৰলৈ
মন্দিৰৰ পৰা
ওলাই আহিলো
শান্তি বিচাৰি
হে' ঈশ্বৰ আশীৰ্বাদ দিবানে??

# কেতিয়া উন্নত হ'ব চাহ বাগিচাৰ ভিতৰচৰা সেউজ সুন্দৰ বাগিচা আৰু ইয়াৰ ভিতৰচৰা

**মানসী মিশ্ৰ**

ভাৰতৰ পূৰ্বদিশত সূৰ্য উঠা দেশ। প্ৰকৃতি ৰাণীয়ে কোনো কাৰ্পণ্য নকৰাকৈয়ে সৌন্দয্য সুষমাৰে ওপচাই দিছে আমাৰ ৰাজ্যখনক। পাহাৰ-পৰ্বত, নৈ-নিজৰা, বিস্তৃত সেউজভূমি, বহল ধাননি পথাৰ কি নাই আমাৰ ৰাজ্যখনত।ইয়াৰ মাজতে বিস্তৃত ভূমিয়ে আগুৰি ৰখা সেউজ চাহবাগিছা সমূহে সোণত সুৱগা চৰাইছে।সউজীয়া চাহবাগিচাৰ গছবোৰলৈ চালে দুচকু পৰি যায়। সেই সেউজ ভূমিৰ মাজতে আছে একোখন বৃহত্তৰ সমাজ। এই লোকসকলে দিনৰ দিনটো অক্লান্ত পৰিশ্ৰম কৰি কেঁচা সোণ উৎপাদন কৰি আছে। অসমৰ চাহ মানেই যেন কেঁচা সোণ। এই কেঁচাসোণ বিদেশলৈ ৰপ্তানি হয়। ৰাজ্যৰ অৰ্থনীতিত এই চাহখেতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। চাহবাগিছাখনৰ গুৰি ধৰোঁতা, সেউজসুন্দৰ কৰি ৰখা এই চাহজনগোষ্ঠীসকলৰ কৃষ্টি সংস্কৃতিৰে বাগিছাখন জীপাল হৈ থাকে। শান্ত, মৰ্মাহিত শ্ৰমিকসকলে দিনৰ দিনটো কঠোৰ পৰিশ্ৰম কৰি আহি নিজৰ প্ৰাণ জুৰাবলৈ বিভিন্ন নৃত্য-গীত পৰিৱেশন কৰে। এইদৰে কৰ্মব্যস্ততা কিছু আনন্দ-বিনোদনৰ মাজেদি পাৰ হৈ গৈ থাকে একো-একোটা দিনৰ জীৱনশৈলী। কিন্তু চাহবাগানৰ এই সেউজভূমি মাজে মাজে মানৱতাৰ বধ্যভূমিত পৰিণত হোৱা দেখা যায়। সেউজীয়া চাহগাছ আৰু শিৰিষ গছৰ মাজে মাজে যেন কান্দোনৰ ৰোল হে শুনিবলৈ পায় মানুহে। বিগত কেইটামান বছৰ ধৰি চাহবাগানৰ ভাতৰত এনেধৰনৰ মাৰাত্মক ঘটনা সংঘটিত হৈ আহিছে। জানুৱাৰী মাহতেই ডুমডুমাৰ এখন চাহবাগিছাত এক লৌমহৰ্ষক ঘটনা সংঘটিত হৈ যায়। বৰ্বৰতাৰে এটি পৰিয়ালৰ তিনিজন লোকক‌ে হত্যা কৰা হয়। এনে ধৰণৰ বহু বৰ্বৰ, নিষ্ঠুৰ ঘটনা সংঘটিত হৈ আহিছে। ক'ৰবাত চাহ শ্ৰমিক সকলে মানি নোলোৱাৰ বাবে বাগিছাৰ পৰিচালক, পৰিচালকৰ পুত্ৰই জুই লগাই দি বৰ্বৰভাৱে হত্যা কৰিছে। কোভিড-১৯ মহামাৰীয়ে আমাৰ ৰাজ্যত সন্ত্ৰাস চলাই থকাৰ মাজতে বাগিছাৰ সেউজ সৌন্দয্য ল'বলৈ



অহা এজন নিৰিহ যুৱকক চাবুৱাৰ এখন বাগিছাত এদল উন্মাদ শ্ৰমিকে বন্যজন্তুৰ দৰে কোবোই কোবোই হত্যা কৰে। নিজৰ দেউতাক-ভনীয়েকে ঘটনাস্থলীত উপস্থিত হৈ শ্ৰমিকৰ দলটোক কাতৰ অনুৰোধ কৰিছিল যদিও তেওঁলোকৰ সন্মুখতে পুত্ৰ ওপৰত বৰ্বৰ অত্যাচাৰ চলাইছিল। যোৰহাতৰ টীয়ক চাহবাগিছাত ডাঃ দেবেন দত্ত নামৰ মানৱদৰদী বৰ্ষীয়ান চিকিৎসকজনক অতি বৰ্বৰভাৱে হত্যা কৰা ঘটনা সঁচাকৈয়ে হৃদয়বিদাৰক আছিল আৰু ৰাজ্যৰ হৃদয়বান, বিবেকবান ৰাইজে এই হত্যাকাণ্ডৰ ভয়াবহতাৰ কথা পাহৰিব পৰা নাই। যিজন ব্যক্তি মানৱতাৰ আদাৰস্বৰূপ, পয়সত্তৰ বছৰ বয়সতো বিনাবেতনে বাগিছাত চিকিৎসা সেৱা আগবঢ়াই থৈ গৈছিল, সেইজন মানৱদৰদী ব্যক্তিকে এদল উন্মত্ত চাহ শ্ৰমিকে এজন মূমূৰ্ষ অৱস্থাৰ ৰোগীক চিকিৎসালয়লৈ অনাৰ পিছত মৃত্যু হোৱাৰ কথাটোকে কেন্দ্ৰ কৰি বাঁহ, কাঠেৰে কোবাই কোবাই অতি নৃশংসভাৱে হত্যা কৰিছিল। সেই অন্তিম মূহুৰ্তত এটুপি পানী বিচাৰোতেও এটুপি পানী দিবলৈও কোনেও আগবাঢ়ি অহা নাছিল। এনেধৰণৰ বহু ঘটনা চাহবাগান এলেকাত সঘনাই সংঘটিত হৈ থাকে। সামান্য কথাতে মানুহৰ প্ৰাণ কাঢ়ি লোৱা ঘটনা কেইবাবাৰো সংঘটিত হৈ গৈছে। ডাইনী সন্দেহত কেইবাটাও বৰ্বৰ হত্যাকাণ্ড সংঘটিত হৈছে। চাহবাগানৰ এলেকাসমূহত। একবিংশ শতিকাতো মধ্যযুগীয় ধ্যান ধাৰণাৰে পৰিপূৰ্ণ হৈ আছে।

(ছয়পৃষ্ঠাত চাওক)

# কাঠৰ চাইকেলেৰে চৰ্চালৈ আহিছে নলবাৰীৰ এজন যুৱক

বাৰ্ত্তাসেৱা- কৰোনাকালীন সময়ত একাংশ ছাত্ৰ ছাত্ৰীয়ে অপচয় কৰিছে সময়। মোবাইল পিটিকি মোবাইলত অনলাইন গেম খেলি নতুবা টিভিৰ সম্মুখত বহি পাৰ কৰিছে সময় । কিন্তু নলবাৰীৰ এজন ছাত্ৰই এই সময়ৰ সদ ব্যৱহাৰ কৰি দিছে চমক । চেষ্টাৰ অসাধ্য একো নাই ।তাকেই প্ৰমাণ কৰি কৰোনাকালীন পৰিস্থিতিৰ মাজতে নিজৰ হাতে সাজি উলিয়ালে এখন কাঠৰ চাইকেল । এগৰাকী ছাত্ৰই নিজ হাতে নিৰ্মাণ কৰা কাঠৰ চাইকেল এতিয়া নলবাৰীত চৰ্চাৰ বিষয় হৈ পৰিছে। এগৰাকী কৃষকৰ পুত্ৰই প্ৰবল ইচ্ছাশক্তিৰ বলত অসাধ্য সাধন কৰি এইদৰে কাঠ আৰু বাহেৰে সাজি উলিয়াইছে এই বিশেষ চাইকেল খন নলবাৰী জিলাৰ আমনি গাঁওৰ কৃষক জমিৰ উদ্দিন আহমেদৰ পুত্ৰ স্নাতক ডিগ্ৰীধাৰী জিতু উদ্দিন আহমেদে কাঠেৰে এই চাইকেল খন সাজি ৰাজপথত এইদৰে চলাই ঘুৰি ফুৰে ।বাটৰুৱাই ঘুৰি ঘুৰি চায় জিতুৰ কাঠৰ চাইকেল । কোনোবাই আকৌ এই বিশেষ চাইকেল খন লৈ উঠে ফটো । সচাঁই অসমত যেন প্ৰতিভাৰ অভাৱ নাই ।প্ৰথম বাহেৰে চাইকেল সাজিবলৈ চেষ্টা কৰি ব্যৰ্থ হোৱা জিতুই হাৰ নামানি কাঠেৰে সাজি উলিয়ালে এইখন আকৰ্ষণীয় কাঠৰ চাইকেল। আদৰ্শ কৃষকৰ পুত্ৰ জিতুই নিজ হাতে সাজি উলিয়াছে গীতাৰ বাঁহী আদি বহুতো সামগ্ৰী। এইদৰে কাঠৰ চাইকেল সাজি চৰ্চালৈ অহা জিতুই ভৱিষ্যতে এখন কাঠৰ চাৰিচকীয়া বাহন সাজিবলৈ কৰিছে পৰিকল্পনা। জিতুৰ সপোনে বাস্তৱ ৰূপ পাওঁক আমিও তাকেই কামনা কৰিলোঁ।




# বিষ্ণু প্ৰসাদ ৰাভা আৰু অসমৰ নৱজাগৰণ

**ফখৰুদ্দিন আহমেদ**

প্ৰাচীন গ্ৰীক পুথি-পাঁজি সমূহৰ উদ্ধাৰেই আছিল ইউৰোপীয় নৱজাগৰণৰ সফলতাৰ মূল বৈশিষ্ট্য। অসমত হোৱা নৱজাগৰণৰ ক্ষেত্ৰতো বিচাৰ বিশ্লেষণ কৰিলে এই একেই বৈশিষ্ট্যৰেই দৃষ্টিগোচৰ হয়। অসমৰ প্ৰাচীন সাহিত্য-সংস্কৃতিৰ অফুৰন্ত ভাণ্ডাৰো মানৱ আক্ৰমন, ইংৰাজৰ ৰাজত্ব, বিভিন্ন সময়ত হোৱা মহামাৰী তথা প্ৰাকৃতিক ভাৱে সংঘটিত বিধ্বংসী দুযোগত হেৰাই যোৱাৰ দৰে হৈছিল। এই প্ৰাচীন সাহিত্য-সংস্কৃতিৰ ভাণ্ডাৰ সমূহ উদ্ধাৰৰ প্ৰচেষ্টাৰ আৰম্ভণি কৰিছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ককাদেউতাক হৰিবিলাস আগৰৱালাই আৰু পিছলৈ এই কামত হাত উজান দিছিল বিশেষকৈ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞী বৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীয়ে। এখেত সকলৰ অসমৰ পুৰণি সাহিত্য-সংস্কৃতি ৰক্ষাৰ কাৰ্যক্ৰমনিকাত অসমীয়া জাতিয়ে সচেতনতা লাভ কৰিছিল।

এই পৌৰাণিক অসমৰ সাহিত্য-সংস্কৃতিৰ জাতীয় ঐতিহ্য চেতনাৰ উদ্ধাৰৰ সু-উত্তৰাধিকাৰী আছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা। এই মহান গুণৰাজি তেখেতে জন্মসূত্ৰে লাভ কৰিছিল। বিষ্ণু ৰাভাই ঠিক সময়তেই বুজি উঠিছিল যে ঐতিহ্যৰ ভেটিতহে প্ৰগতি অবশ্যাম্ভাৱী। অসমীয়া জাতিৰ খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ আছিল ৰাভাৰ প্ৰগতিবাদী ভাবাধাৰাৰ আদৰ্শ পুৰুষ। সেয়ে তেখেতে মহাপুৰুষ জনাৰ আদৰ্শৰে প্ৰগতিৰ বাটত বাট বুলিবলৈ আহ্বান জনাইছিল এইদৰে-

অ' অসমীয়া ডেকা দল<br>
আজি তোৰ তেজাল বদন<br>
মলিন কিয় হ'ল?<br>
দুৰ্গম নদ পাহাৰ গিৰি<br>
লংঘিছিল ডেকাগিৰী<br>
সুন্দৰ শংকৰে লৰি কৰিছিলে তল,<br>
দেখুৱাইছিল জগত জুৰি অসীম বাহুৰ বল<br>
সিও যে তোৰ নাইকিয়া হ'ল।



প্ৰকৃত পক্ষে বিষ্ণু প্ৰসাদ ৰাভা শংকৰজেৰৰ ধৰ্মীয় ভাবাদৰ্শৰ উপৰিও মহাপুৰুষ জনাৰ শৌৰ্য-বীৰ্য, সাংস্কৃতিক প্ৰতিভা, অসমৰ সামাজিক সংহতি, বিশ্ব মানৱতা ইত্যাদি গুণাৱলীৰো বিমগ্ধ ব্যক্তি আছিল। সৰ্বগুণাকৰ শংকৰদেৱক ৰাভাই ভাৰতীয় সংস্কৃতিৰ পুৰোধা সত্বা আৰু ইউৰোপীয় নৱজাগৰণৰ মুখ্য সত্বা লিওনাৰ্ডো ড্যা ভিঞ্চিৰ লগত তুলনা কৰি লিখিছিল- "এই পৃথিৱীৰ যিসকল মহাপুৰুষ আছিল সৃষ্টিৰ আকাৰ। এজন হৈছে স্বয়ং শ্ৰীকৃষ্ণ তেওঁ আছিল সৰ্ব গুণ নিধি। আৰু এজন আছিল ইটালিৰ লিওনাৰ্ডো ড্যা ভিঞ্চিয- এওঁ একেলগে বৈজ্ঞানিক, চিত্ৰকৰ আৰু ৰাজনীতিজ্ঞ পুৰুষ আছিল; আৰু এজন আছিল আমাৰ অসমৰ মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱ। সচাঁকৈয়ে আজি শ্ৰী শ্ৰী শংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব"।

শ্ৰী কৃষ্ণ, লিওনাৰ্ডো ড্যা ভিঞ্চি আৰু শংকৰদেৱৰ আদৰ্শৰে অনুপ্ৰানিত ৰাভাও আছিল বিচিত্ৰ প্ৰতিভাৰে ভাস্কৰ অসমৰ সাহিত্য আৰু সংস্কৃতি জগতৰ এগৰাকী অক্লান্ত সৈনিক। পৰম্পৰাগত শৃংখল ডাল চিগি ভাগি মুক্তিৰ জৰিয়তে নতুনত্বৰ সোৱাদ ল'বলৈ সদা উন্মুখ ৰাভা এগৰাকী প্ৰকৃততেই নৱজাগ্ৰত পুৰুষ। সেয়ে তেখেতে নৱ প্ৰজন্মক আহ্বান জনাইছিল-

ভাং ভাং ভাং ভাং<br>
লোহাৰ শিকলি ভাং।<br>
ছিং ছিং ছিং ছিং<br>
দাসৰ বান্ধোন ছিং।<br>
খোল খোল খোল খোল<br>
কাৰাৰ ফাটক খোল।<br>
ভাং ভাং যা দুৱাৰ দাং।

তেখেতৰ কবিতাত প্ৰান পাই উঠিছিল সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ বিৰুদ্ধে বিপ্লৱী কণ্ঠস্বৰ। ৰাভাই সফলতা দেখিছিল কৃষক, বনুৱা, ৰনুৱা, মজদুৰ আৰু নিপীড়িত সকলৰ জীৱনৰ সংগ্ৰামৰ মাজত। সেয়ে তেওঁ গাইছিল-

ব'ল ব'ল ব'ল ব'ল<br>
কৃষক শক্তি দল,<br>
অ' বনুৱা সমনীয়া<br>
আগবাঢ়ি যাওঁ ব'ল।<br>
জাগ জাগ জাগ জাগ<br>
মজদুৰ ন-জোৱান,<br>
নিযাতিত নিপীড়িত<br>
কৃষক শক্তিমান।<br>
তোৰ বাবেই আছে লুকাই<br>
অসীম শক্তিবল;<br>
ৰণৰ শিঙা বাজে শুন ঐ<br>
আগবাঢ়ি যাওঁ ব'ল।

অসীম শক্তি আৰু প্ৰতিভাৰ অধিকাৰী ৰাভাৰ সৃষ্টি বেছি ভাগেই অসমৰ ৰাইজৰ ঘৰে ঘৰে সিচৰতি হৈ আছে। তাৰ উপযুক্ত কাৰণো অবশ্যে আছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সময়তো বিষ্ণু প্ৰসাদ ৰাভা ইংৰাজৰ বাবে 'ম'ষ্ট ৱাণ্টেড' আছিল। স্বাধীনতাৰ পিছতো তেখেতৰ সংগ্ৰামৰ গতি পথ সলনি হোৱা নাছিল। তেখেতৰ দৃষ্টিত ধৰা পৰিছিল যে দেশৰ শাসন কৰ্তা হে সলনি হ'ল কিন্তু দেশৰ শাসনৰ ভাৰ পুনৰ পুঁজিপতি সাম্ৰাজ্যবাদী সকলৰ হাততে থাকি গ'ল। তেখেতে সেই সময়ত পৃথিৱীৰ বিভিন্ন দেশবোৰত চলি থকা কমিউনিষ্ট আন্দোলনৰ প্ৰতি আকৃষ্ট হৈ "কমৰেড ধৰো হাতিয়াৰ" শ্লোগান মৰ্মে কাৰ্যপন্থা হাতত লৈ ইং ১৯৪৮ চনত ভাৰত চৰকাৰে বে আইনি ঘোষণা কৰা ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ এগৰাকী কৰ্মকৰ্তা হিচাপে জনতাৰ মাজত অজ্ঞাত বাসৰ জীৱন অতিবাহিত কৰিবলগা হৈছিল। তেতিয়া তেখেতে লিখিছিল-

"তেজৰ বোলেৰে লিখি যাম ইতিহাস<br>
মচি যাম দীন সমাজৰ হীন পৰিহাস<br>
কত শ্বহীদৰ জীৱনী লিখা<br>
কত ব্যথিতৰ বেদনাৰ ছবি আঁকা"।

এইবোৰ হ'ল ৰাভাৰ জীৱনৰ জীয়া ইতিহাস। জনতাৰ প্ৰানৰো প্ৰানৰ এগৰাকী সংগ্ৰামী পুৰুষৰ জীৱনৰ জীৱন্ত দস্তাবেজ। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ প্ৰতিটো ক্ষণ অসম তথা অসমীয়াত্বক চিৰদিন জীয়াই ৰাখিবলৈ কৰা সংগ্ৰামী মুহূৰ্তৰ ইতিহাসেৰে সমৃদ্ধ।

ৰাভাৰ জীৱনৰ মূল্যায়ণ কৰিবলৈ তেখেতৰ ৰচনাৱলীয়েই একমাত্ৰ সমল নহয়, তেখেতৰ জীৱনৰ ওপৰত সামগ্ৰিক ভাৱে নিমোহ বিশ্লেষণৰ একান্তই প্ৰয়োজন হৈ পৰিছে। এনে ধৰণৰ নিমোহ বিশ্লেষণ হ'লেহে অজিৰ যুৱ প্ৰজন্মই ৰাভাৰ অসমৰ সাহিত্য আৰু সংস্কৃতিৰ কজতকৰ্মৰাজিৰ ইতিবাচক আৰু নেতিবাচক দিশ সমূহ অধ্যয়ন কৰি অসমৰ সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনিলৈ অবদান আগবঢ়াবলৈ নিজকে ব্ৰতী কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিব।।

# গল্পৰ শিৰোনাম — যশোদা

অংকিতা বৰুৱা, জুৰোড তিনিআলি



একোঠালীয়া কেঁচাঘৰটোলৈ সোমাইঅহা আবেলিৰ শেষ পোহৰকণক নস্যাৎ কৰিবলৈ আন্ধাৰবোৰ তৎপৰ হৈ উঠিছে । কজলা ৰংটো কোঠাটোৰ চাৰিওফালে বিয়পি পৰিছে । বিচনাখনতে গাত লোৱা কেথাকেইখনৰ মাজত লুকাভাকু খেলি খেলি সিঁহত দুটা কেতিয়া টোপনি গৈছিল মনতেইনাই কুমকুমৰ ।সাৰপাইচকুকেইটা মোহাৰি মোহাৰি কাষতে শুই থকা কনমাণী ভায়েকটোলৈ চাই তাইৰ মৰম লাগি গ'ল । সি গাত কাপোৰ নলয় বুলি এনেইনকয় মাকজনীয়েহু গোটেইটো উদং মুদং হৈ জেঠিপোৱালীটোৰ দৰে ওপৰলৈ মুখ কৰি, ভৰি দুটা সামান্য ফেৰেকাকৈ দুহাত মেলি নিশ্চিন্ত হৈ শুই আছে সি ।

হাত ভৰি কেইটা চুই চালে কুমকুমে তাৰ ।

চেঁচা ।লাটু..

অনুচ্ছ সুৰত তাক এবাৰ মাতিলে তাই। একো লৰচৰ নকৰা দেখি মৰমেৰে এবাৰ তাৰ কপালত হাতখন ফুৰাই কুমকুমে কেথাখন টানি আনি তাৰ গাত জাপি দিলে ।শুই থাকক সি আৰু অলপ দেৰি! মাক আহি পোৱাহিয়ে নাই ।আমনিহে কৰিব ! তায়ো লাটুৰ কাষতে বিচনাখনত কুচিমুচি পৰি থাকিল ।

কি বা হ'ল আজি ইমান পৰলৈকে মাকজনী অহা নাই ! আনদিনাটো সিঁহত দুটা স্কুলৰ পৰা আহি পায়হি মানে মাকে ভাতমুঠি ৰান্ধি সিঁহতলৈ বাট চাই থাকে ।নঙলামুখৰ পৰাই চিঞৰি চিঞৰি ভিতৰ সোমাই সিঁহত ”অ'মা আহিলো ।ভাত দে;বৰকৈ ভোক লাগিছে ।”

মাকে চাদৰৰ আঁচলত হাতদুখন মচি মচি সিঁহতৰ ওচৰ পায়হিমানে লাটুৱে গৈ মাকত জপটিয়াই ধৰেগৈ

আজিনো এই পৰলৈকে মাকজনী কলৈ গ'ল ! অতবেলি হ'ল আহি পোৱা নাই যে ! যিমানে সময় পাৰ হৈছে সিহঁতৰ কোঠাটোও ঘিটমিটীয়া আন্ধাৰে আৱৰি ধৰিছে ।কাষতে শুই থকা লাটুকো তাই হাতেৰে খেপিয়াই চুই চাইছে । চকুৰে একো মণিব নোৱৰাকৈ অন্ধকাৰ গোটেইখন । কুমকুম এনেও খুব ভয়াতুৰ ।দিনতে অকলে বাহিৰলৈ নাযায় ।তেনেস্থলত এই ৰাতিখন !

তাই ফেঁকুৰি উঠিল । কি কৰে তাই এতিয়া ! হাতলেম্পটোত কেৰাচিনতেল অকণ ভৰাই জ্বলাবলৈও তাইএকোকে দেখা পোৱা নাই । ভোকত পেটটোও কৰমৰাই উঠিছে তাইৰ ।স্কুললৈ যাওঁতেই যি ভাত এমুঠি আগৰাতিৰে দাইলকণৰে সৈতে খাই গৈছিল দুইটাই, তাৰপাছত একোৰেই মুখত দিয়া নাই সিঁহতে । লাটুও চাগে ভোকতে অৰশ হৈইমান দেৰি শুই আছে ! ভয় ভোক সব মিলি তাই এইবাৰ উচুপি উঠিল । অলপপৰ তেনেদৰেই থাকি তাইমূৰে গায়ে কাপোৰখন লৈ কুচিমুচি পৰি থাকিল বিচনাখনতে । যেন এই আন্ধাৰবোৰপৰা হাত সাৰিবলৈ পালেই তাই ৰক্ষা পৰে । ভয়তে ডিঙিটো শুকাইআহিছে তাইৰ ।তথাপি বিচনাৰপৰা উঠি কাষৰ টেবুলখনতে থকা পানী জগটোৰ পৰা পানী অলপ খাবলৈ তাইৰ সাহসে নুকুলালে ।

উচুপি উচুপি তাই মাকক মাতি থাকিল কলৈ গলিনো অ'মা হু এইপৰলৈকে নাহিলি যে হু আমি অকলে অকলে ইমান দেৰি কেনেকৈ থাকিম এবাৰো ভবা নাইনে তই ! ”

তাইৰ উচুপনিত বিচনাখন কঁপি উঠিল ।লাটুৱে এবাৰ খৰমৰাইইকাটি সিকাটি কৰিলে ।লাটু সাৰ পালে মাকে তাৰ চুলিকেইডালত হাত ফুৰাই এটা নিৰ্দিষ্ট গীত গুণগুণাই, সি পুনৰ শুই পৰে । কুমকুমেও তাকে কৰিলে । মাকৰ মুখৰ গীতটো আজি তাই প্ৰথমবাৰৰ বাবে গুণগুণাইলাটুৰ মূৰত আলফুলে হাত বুলাই দিলে । নহ'লে সি সাৰ পাই উঠি মাকক নেদেখিলে ভীষন কান্দিব, তাই জানে ।লাটুৰ খচমচনি বন্ধ হ'ল ।তাই আশ্বস্ত হল, সি পুনৰ শুই পৰিছে ।আচৰিত ধৰনে লাটুক শুৱাই থাকোতে এপলক আগলৈকে তাইৰ আন্ধাৰলৈ ভয় লাগি উচুপি উঠা মনটো নোহোৱা হৈছিল ।লাটুক শুৱাই থাকোতে তাইৰ ভোকত কৰকৰাই থকা পেটটোও শান্ত হৈ পৰিছিল। দুৱাৰৰ ফাঁকেৰে সোমাই অহা পুৱাৰ পোহৰত তাই চকু মেলি এবাৰ কোঠাটোৰ চাৰিওফালে চালে । লাটুৱেও একে সময়তে উঠিবহি দুচকু মোহাৰি আনদিনাৰ দৰেই থেনথেনাবলৈ ধৰিলে । মা মা কৈ এসময়ত সি চিঞৰি উঠিল ।কুমকুমে তাক কেঁকো জেঁকোকৈ কোলালৈ আনি অলপ পৰ সাৱটি ধৰি থাকি মৰমেৰে বুজাবলৈ যত্ন কৰিলে,

”ৰ লাটু নাকান্দিবিচোন ।মা আহিব নহয়! কালি হয়তো মাৰ কাম শেষ নহল সেয়েহে আহিব নোৱাৰিলে । আজি সোনকালেই আহিব ।মইআছোঁ নহয় ।কিবা এটা খাবলৈ দিওঁৰ তোক ।ভোক লাগিছে চাগে তোৰ !”

সি ভেবা লাগি কুমকুমলৈ চাই ৰ'ল । তাই কোৱা কথাকেইটা সি কিমান বুজিলে কুমকুমে অনুমান কৰিব নোৱাৰিলে যদিও তাৰ পাছত লাটুৱে থেনথেনাবলৈ এৰি তাইৰ ফ্ৰকটোতে খামুচি তাইৰ পাছে পাছে লাগি থাকিল। মাকে পানী তপতাবলৈ চৌকাটোৰ খৰি কেইডালত অগ্নি সংযোগ কৰাৰ দৰে কুমকুমেও চাকিটোৰ পৰা কেৰাচিনতেল কেইটোপালমান দি অগ্নি সংযোগ কৰি বুঢ়াটো উঠাইদিলে ।কাষতেপীৰাখন পাৰি লাটুক বহুৱায় লয় তাই । লাটুৱে তাইলৈ ভেবা লাগি চাই থাকি এপাকত সুধিলে

” অ' বা মা কলৈ গ'ল নো ? ইমান দেৰি হ'ল নাই অহা যে !”

কুমকুমৰ কণমানী মনটোত পাকঘূৰণি খাই থকা চিন্তাবোৰ লুকুৱাই তাই ভায়েকক এজনী বুজন ছোৱালীৰ দৰে আশ্বাস দিলে ।মাকৰ চিন্তাই তাইকো শান্তিত থাকিবলৈ দিয়া নাই যদিও এই মুহূৰ্ত্তত তাই এটাই বুজি উঠিছে যে তাই লাটুক নিৰ্ভয়েৰে ৰাখিব লাগিব ।অন্তত মাক ঘূৰি আহি নোপোৱালৈকে লাটুৱে নকন্দাকৈ তাই ৰাখিব লাগিব ।

একোঠলীয়া ঘৰটোৰ চুকটোত থকা ৰান্ধনিশালখনত মাকে কাম কৰি থাকোতে কুমকুমে মাকক লক্ষ্য কৰি থকাটো তাইৰ এটা অভ্যাস । মাকে কিদৰে আটোমটোকাৰিকৈ কামবোৰ কৰি যায় তাই চাই থাকি বৰ ভাল পায় ।হয়তো সেই অভ্যাসেই আজি তাইক কিছু পৰিমাণে হলেও সহায় কৰিছে । তাই ডেকচিটোত চাউল এমুঠিৰ সৈতে পানী অলপ আগুাজমতে দি চৌকাটোত বহাই অভিজ্ঞ ছোৱালী এজনীৰ দৰে চুঙাটোৰে জুইকুৰা ফুঁৱাই দিলে। জুই কুৰা দপকৈ জ্বলি উঠিল যদিও চৌকাটোৰ মুখতে থকা ছাঁই অলপ উৰি আহি তাইৰ চকুৱে মুখে সোমাল । তাই কাঁহি কাঁহি মাটিতে লেপেটা কাঢ়ি বহিদিলে ।চকুপানীবোৰ সৰসৰাই বাগৰি আহিল তাইৰ । তাই যেন সেই ছেগতে অতপৰে লুকুৱাই ৰখা শংকাখিনিক ছাঁই বৰণীয়া চকুপানীৰে ব'বলৈ এৰি দিলে ! লাটুক আশ্বাস দি ৰখা কণমানী কুমকুমজনী যেন এটা ৰাতিতে অলপ বেছি বুজন হৈ পৰিল !

দুদিন পাৰ হৈ গ'ল ।

মাকজনী নাহিল । এইবাৰ ভায়েকৰ হাতখনত খামুচি ধৰি তাই মাকক বিচাৰি ওলাল ।

সুবৰ্ন নাই .....

ইতিমধ্যে এইকথাটোৱে মানুহৰ মাজত গুণগুণনি তুলিছে । কোনেও নাজানে ক'ত গ'ল মানুহজনী এই এমা দিমা সন্তানকেইটাক এৰি । কিছুমান গধুৰ শব্দ উফৰি আহি কুমকুমৰ কাণত পৰিল ।লাটুৰ হাতখন বেছি জোৰকৈ খামুচি ধৰি তাই মানুহৰ পদুলিয়ে পদুলিয়ে চিঞৰি সুধিলে ”আমাৰ মাক দেখিছিলে নেকি বৰমা !”

” অ' খুৰী আমাৰ মা কলৈ গ'ল জানে নেকি ! আজি দুদিন হ'ল মা ঘৰলৈ অহাই নাই ! ”

কৌতূহলী মুখবোৰৰ আঁৰত অনুকম্পা আছিল নে ইতিকিং তাই নুবুজিলে ।সাঁথৰ যেন লগা শব্দবোৰ উফৰি আহি তাইৰ কাণত পৰিছিল ।তাই অবুজ চাৱনি এটাৰে গুণগুণণি তোলা মানুহবোৰলৈ চাই লাটুৰ হাতখন যিমান পাৰে সিমান জোৰে খামুচি ধৰিছিল । একো উৱাদিহ নাপালেও তাই বুজি উঠিছিল মাকৰ অবৰ্ত্তমানত তায়েই ভায়েকৰ বাবে সকলো ।

পুৱা শুই উঠি মাকৰ দৰেই কুমকুমে বাঢ় নিডাল হাতত লৈ চোতালখন সাৰিবলৈ লয় ।মাক নোহোৱা হোৱাৰ পৰা কুমকুমে মাকে কৰি যোৱাৰ দৰেইপ্ৰতিটো কাম কৰিবলৈ চেষ্টা কৰিছে ।প্ৰথমতে তাইৰ অকণি অকণি হাত দুখন কঁপিছিল । কিন্তু লাহে লাহে কামবোৰ তাইৰ বাবে সহজ হৈ পৰিছে । আন্ধাৰবোৰলৈও তাইৰ ভয় নোহোৱা হৈ আহিছে লাহে লাহে ।

এটা সপ্তাহ পাৰ হৈ গ'ল ।

সিঁহতৰ মাকজনী নাহিল ।লাটুৱে মাকক কৰি অহা আব্দাৰবোৰ বায়েকক কৰবলৈ ধৰে । তায়ো যিমান পাৰে লাটুক মাকে ৰখাৰ দৰেই আটোলটোলকৈ ৰাখিবলৈ বিচাৰে । এদিন পুৱা চোতাল সাৰি থাকোতে তাই দেখিছিল মাকৰ উঁৱলি যোৱা চাদৰখন নঙলাডালতে ওলমি ৰৈছিল । তাইঢ়েপলিয়াই গৈ চাদৰখন দুহাতেৰে সামৰি মাকৰ দেহৰ গোন্ধটো পাৰে মানে উজাই লৈছিল ।

আছিল !তেতিয়াও সেই চাদৰখনত মাকৰ দেহৰ গোন্ধটো লাগি আছিল । চাদৰখন কোনে কেনেকৈ আনি তাত পেলাই থৈ গ'ল অথবা মাকে পিন্ধি থকা চাদৰখন মাকৰ দেহৰ পৰা খোল খাই সিঁহতৰ নঙলাডালত কিদৰে ওলমি ৰ'ল তাই নুবুজাকৈয়ে সেইখন সামৰি আনি বাকচৰ তলিত ভৰাই ৰাখিলে । লাটুক একো নজনালে তাই । কোনোমতে লৰাটোক তাই চম্ভালি ৰাখিব পৰা কৰিছে । আকৌ যদি মাকৰ কথা ওলালে সি কান্দে, তাই বৰ বিপাঙত পৰিব ।

নাটকৰ পট পৰিৱৰ্তন হোৱাৰ দৰেই এৰি অহা এছোৱা সময়ৰ ধূষৰিত ছবিবোৰ কুমকুমৰ চকুৰ আগেদি পাৰ হৈ গ'ল ।এই যেন অলপ সময়ৰ আগতেহে গটি গ'ল গোটেই ঘটনাবোৰ হু কোঠাটোৰ এটা চুকত জুপুকা লাগি বহি আছে তাই ।

লাটুৱে আহি তাইক জোকাৰি দিলেহি,

” কি ভাবি আছনো বা ! এই ভায়েৰক আশীৰ্বাদ এটা নিদিয়নে অত দূৰলৈ যাবলৈ ওলাইছো । আকৌ বা তোৰ ওচৰলৈ কেতিয়া ঘূৰি আহিব পাৰো ! সৈনিক হ'ল তোৰ এই লাটু, বা !দেশৰ স্বাৰ্থত মই যাতে মোৰ কৰ্তব্য অতি নিষ্ঠাৰে পালন কৰিব পাৰো, মোক আশীৰ্বাদ কৰ বা ! ”

আৱেগিক হৈ পৰিল সি । থোকাথুকি হৈ আহিল তাৰ মাতটো । ওৰেটো জীৱন তাৰ গাৰ ছাঁটোৰ দৰে লাগি থকা এই বায়েকজনীক এৰি থৈ সি আজি জীৱনৰ আন এক অধ্যায়ৰ পাতনি মেলিবলৈ আগবাঢ়িছে ।কুমকুমৰ দুভৰি সাৱটি ধৰিলে সি ।তাই চক খাই উঠিল ।এৰা ! তাইৰ আদৰৰ ভায়েকটো যে আজি যাবগৈ সীমান্তলৈ । সেই কেচেলুৱা জীৱনৰ পৰাই তাৰ হাতখন খামুচি থাকি সিঁহত দুয়োটাই আজিৰ এই জীৱন পাইছেহি । মাকৰ অনুপস্থিতিত কুমকুম কেতিয়া লাটুৰ বাবে আন এজনী মাক হৈ পৰিছিল সেয়া তাইৰো মনত নাই আজি ।তাই সাউৎ কৈ উঠি গৈ বৰণহীন হৈ

( পাঁচ পৃষ্ঠাত চাওক)

# গল্পৰ শিৰোনাম — যশোদা

পৰা বাকচটোৰপৰা উঁৰলি যোৱা মাকৰ চাদৰখন উলিয়াই আনি লাটুৰ সন্মুখত দাণ্ডি ধৰিলে, " এইখন তোৰ লগত লৈ যা লাটু । গোটেই জীৱন এইখনৰ ভৰষাতে মই তোক ডাঙ ৰ কৰিলোঁ । এতিয়াৰপৰা এইখন তোৰ লগত থাকিব সদায় । মাৰ এই চাদৰখনে এটি জোনাকী পৰুৱা হৈ তোক বাট দেখুৱাই যাব । চাদৰখন যিদিনা মই বুটলি লৈছিলোঁ তই বৰ সৰু আছিলি অ' ! কথাবোৰ তই বুজিব পৰা বয়সৰ নাছিলি তেতিয়া । আচলতে কথাবোৰ তেতিয়া মোৰ বাবেও দুৰ্বোধ্য আছিল । কিন্তু জীৱনৰ এটা অধ্যায় পাৰ কৰি অহাৰ পাছত বুজি উঠিছোঁ মায়ে পিন্ধি থকা চাদৰখন কিদৰে মাৰ গাৰপৰা খহি আমাৰ নঙলাডালত ওলমি ৰ'ব পাৰে হু হয়তো এতিয়া তয়ো বুজিব পৰা হ'লি কথাবোৰ । বৰ সযতনে ৰাখিছিলোঁ চাদৰখন আজিৰ দৰে এটা দিনৰ বাবে । আজিও এইখনত মাৰ গাৰ গোন্ধ লাগি আছে । আজি মায়েও নিশ্চয় হাঁহিছে লাটু ! চাচোন চা, এবাৰ চাদৰখনৰ গোন্ধটো উজাই চা ! "নাকান্দোঁবুলিও হুকহুকাই কান্দি উঠা কুমকুমকবুকুৰ মাজত লৈ লাটুৱে এবাৰ চাদৰখন নাকৰ ওচৰলৈ নি গোন্ধটো উজাই ল'লে । তাৰ বুকুৰ মাজত সোমাই থকা মৰমৰবায়েকজনীৰ গাৰ গোন্ধটোৰ সৈতে মাকৰ চাদৰখনৰ গোন্ধটো তেতিয়ালৈ একাকাৰ হৈ পৰিছিল ।

# ক্রীড়াক্ষেত্রৰ সর্বোচ্চ সন্মানসূচক বঁটা

ভাবক ধন্যবাদ জনাইছো । প্রধানমন্ত্রীয়ে পুনৰ কয় : তেওঁলোকৰ আৱেগৰ প্রতি সন্মান জনাই খেলৰত্ন বঁটাটো এতিয়াৰে পৰা মেজৰ ধ্যান চান্দ খেলৰত্ন বঁটা নামেৰে পৰিচিত হ'ব। অলিম্পিকত ভাৰতীয় হকী দলৰ এই চমকপ্রদ সফলতাৰ পাছতেই প্রধানমন্ত্রীয়ে দেশৰ ক্রীড়াক্ষেত্রৰ সর্বোচ্চ সন্মানৰূপে চিহ্নিত খেলৰত্ন বঁটাৰ নাম 'মেজৰ ধান চান্দ খেলৰত্ন' বঁটাৰূপে নামাংকিত কৰে। প্রধানমন্ত্রীৰ এই সিদ্ধান্তক সমগ্র দেশবাসীয়ে আদৰণি জনায়।



# মহানগৰ জিলা পৰিবহণে চিকিৎসক চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আৰু ধাত্ৰীলৈ গাড়ী চলোৱাৰ অনুজ্ঞ পত্ৰ প্ৰদান




বাৰ্ত্তাসেৱ - অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছা আৰু মাননীয় পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ নিৰ্দেশ মৰ্মে কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ উদ্যোগত ক'ভিড মহামাৰীৰ সময়ত ৰাইজৰ সেৱাত একনিষ্ঠভাৱে জড়িত চিকিৎসকসকলৰ লগতে চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মৰত ধাত্ৰীসকলক গাড়ী চলোৱাৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ এক প্ৰশংসনীয় পদক্ষেপ ৭ আগষ্টত গ্ৰহণ কৰে। অনুজ্ঞাপত্ৰৰ বাবে আবেদনকাৰী চিকিৎসক, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আৰু ধাত্ৰীসকলক লৈ প্ৰথমে হোন্দা চেফটি ড্ৰাইভিং এডুকেচ্ছন চেণ্টাৰৰ সহযোগিতাত পথ সুৰক্ষা আৰু যান-বাহন চলোৱাৰ বিধি সন্দৰ্ভত প্ৰাথমিকজ্ঞান প্ৰদানৰ এক কাৰ্যসূচী অনুষ্ঠিত কৰিব। ১১আগষ্টৰ পৰা মহানগৰীৰ বেতকুছিস্থিত জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত প্ৰতিদিনে ১০গৰাকীকৈ চিকিৎসক, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী আৰু কৰ্মৰত ধাত্ৰীক যান-বাহনৰ যাৱতীয়জ্ঞান প্ৰদান কৰি অনুজ্ঞাপত্ৰ প্ৰদান কৰা হ'ব। জিলা পৰিবহণ বিষয়া গৌতম দাসে জানিবলৈ দিয়া মতে ইচ্ছুক আবেদনকাৰীসকলে অনুজ্ঞাপত্ৰৰ বাবে নিজৰ নাম-ঠিকনা বয়সৰ প্ৰমাণপত্ৰসহ 'Parivahan Sewa' portal অথবা 'http// sarathi.parivahan.gov.in/ sarathi service' ত অনলাইনযোগে আৱেদন কৰিব লাগিব। অনলাইন আৱেদনৰ পিছত আৱেদনকাৰীসকলে জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ৰ ৪৯ নম্বৰ কাউণ্টাৰত বয়স আৰু ঠিকনাৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব। সাম্প্ৰতিক কৰ'না মহামাৰীৰ সময়ছোৱাত দেশৰ সামগ্ৰিক পৰিস্থিতিৰ উন্নয়নত প্ৰতিগৰাকী চিকিৎসক, চিকিৎসাকৰ্মীৰে অৱদান অতুলনীয় আৰু উল্লেখযোগ্য বুলি পৰিবহণ বিষয়া গৌতম দাসে উল্লেখ্য কৰে। তেওঁলোকৰ অকৃপণ আৰু একনিষ্ঠ সেৱাৰ বাবেই আজি বহুলোক মৃত্যুৰ দুৱাৰদলিৰ পৰাও উভতি আহিব পাৰিছে। এনেক্ষেত্ৰত প্ৰয়োজন সত্বেও সময়ৰ অভাৱত অনুজ্ঞাপত্ৰ লাভ কৰিব নোৱাৰা আগশাৰীৰ যোদ্ধাসকলক থিতাতে এখন অনুজ্ঞাপত্ৰ দি সহায় কৰিব পাৰিলে আমি উপকৃত হ'ম বুলিও পৰিবহণ বিষয়াগৰাকীয়ে মন্তব্য কৰে।

# কেতিয়া উন্নত হ'ব চাহ বাগিচাৰ ভিতৰচৰা ......

চাহবাগানৰ ভিতৰচৰা। কোনো বেমাৰ হ'লে, দুৰ্ঘটনা আদি হ'লে বাগানৰ বহুমানুহে ধৰি লয় যে ডাইনীৰ কু প্ৰভাৱত এনে ঘটনা সংঘটিত হৈছে। ডাইনী সন্দেহ কৰিয়ে এচাম নিৰিহ ব্যক্তিৰ ওপৰত বৰ্বৰ শাৰীৰিক, মানসিক উৎপীড়ন চলায়। কেইটামান বছৰ আগতে বিশ্বনাথৰ "শাকোমাই" চাহবাগিছাত ডইনীৰ মিছা সন্দেহত আঠ গৰাকী ব্যক্তিৰ মুণ্ডচ্ছেদন কৰি হত্যা কৰা হৈছিল।সেই হৃদয় বিদাৰক ঘটনাৰ স্মৃতি অসমৰ ৰাইজে আজিও পাহৰিব পৰা নাই। প্ৰতিটো বৰ্ষতে ডাইনী সন্দেহত অতি কমেও দুই তিনিটা ঘটনা সংঘটিত হয়। বেমাৰ-আজাৰ হ'লে বেজ-বেজালি, জৰা-ফুকা আদিতো আছেই। এইসকল লোকে একবিংশ শতিকাৰ বিজ্ঞান প্ৰযুক্তিৰ দিনতো বিজ্ঞান মনস্ক হৈ উঠিব পৰা নাই।

চাহবাগিছাৰ অতি অপৰিস্কাৰ পৰিৱেশত বাস কৰে তেওঁলোকে। সেয়েহে খুব সহজে সোঁচৰা ব্যাদিৰ দ্বাৰা সংক্ৰমিত হয় এই লোকসকল। ডায়েৰীয়া, মেলেৰীয়া, যকঞ্জণ্মা, এনকেফেলাইটিছ, কৃমি, জণ্ডীছ আদি ৰোগৰ সংক্ৰমণ বেছি এই বাগান এলেকাসমূহত। বেমাৰ হ'লে চিকিৎসকৰ ওচৰলৈ নিয়াৰ পৰিবৰ্ত্তে জৰা-ফুকা, বেজ-বেজালি আদি আৰম্ভ কৰি দিয়া হয়। বেমাৰ বেছি হৈ আহিলে অথবা মূমূৰ্ষ অৱস্থা আহি পৰিলেহে ৰোগীজনক চিকিৎসকৰ ওচৰলৈ লৈ যায়। ৰোগাজন কেনেবাকৈ সুস্থ হৈ নুথিলে আকৌ চিকিৎসালয়ত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰে এইসকল লোকে। চিকিৎসালয়ত মূল্যবান আচবাব নষ্ট কৰাকে ধৰি চিকিৎসকক শাৰীৰি অত্যাচাৰ আনকি হত্যা কৰাৰ দৰে নিষ্ঠুৰ ঘটনাও ঘটি গৈছে আমাৰ সমাজৰ এই লোকসকলৰ মাজতে। বৰ্তমানৰ উন্নত চিকিৎসা সেৱাৰ দিনতো অধিকাংশ গৰ্ভাৱতী মহিলাই ঘৰতে সন্তান প্ৰসৱ কৰে আনকি গৰ্ভৱতী অৱস্থাত লবলগীয়া সাৱধানতা সমূহো ঠিকমতে নলয়। এইবোৰ কাৰণতেই বাগান এলেকাত গৰ্ভৱতী মহিলা আৰু নৱজাতকৰ মৃত্যুৰ হাৰ বেছি। ছোৱালীসকলক অত্যন্ত কম বয়সতে বিয়া আৰু অপৈণত বয়সতে একাধিক সন্তানৰ মাতৃ হয়। মানসিক পৰিপক্কতা, শাৰীৰিক পৰিপক্কতা নথকাৰ বাবেই এই কম বয়সতে একাধিক সন্তানৰ মাতৃ হয় আৰু নানা ৰোগ ব্যাধিৰ দ্বাৰাও আক্ৰান্ত হয়। শাৰীৰিক মানসিক পৰিপক্কতা নথকাৰ বাবেই নিজৰ সন্তানকো যথোপযুক্তভাৱে প্ৰতিপালন কৰিব নোৱাৰে। নিজৰ ঘৰ গৃহস্থালি ভালদৰে চম্ভালিব নোৱাৰে। এইবাবেই বাগান এলেকা সমূহত ঘৰুৱা হিংসা, হাই কাজিয়াৰ মাত্ৰা অত্যাধিক হয়। বাগান এলেকাসমূহত শিক্ষা, সজাগতা দুয়োতাৰে যথেষ্ট অভাৱ। শিক্ষাৰ ক্ষেত্ৰত প্ৰায়ভাগ মানুহেই পিছপৰা। স্ত্ৰী শিক্ষাৰ গুৰুত্ব একেবাৰে কম বাগান এলেকাসমূহত। কন্যাশিত, কিশোৰীসকলক উন্নয়নৰ নিমিত্তে বিভিন্ন চৰকাৰী আঁচনিয়ে কেনে প্ৰভাৱ পেলাব পৰা নাই। কন্যাশিত, কিশোৰীসকল ঘৰৰ কাম-কাজতেই ব্যস্ত থাকে আৰু মাক-দেউতাকে বাগানত পাত তুলিবলৈ ওলাই যোৱাৰ পিছত ঘৰত থকা ভাই-ভনীসকলে ইজনে-সিজনক চোৱাচিতাৰ দ্বায়িত্ব লয় বিশেষকৈ কিশোৰীসকলে কণমাণি ভাই-ভনীসকলক চোৱাচিতা কৰে। এইদৰে এন্ধাৰৰ মাজতে পাৰ হৈ যায় এইসকল ছোৱালীৰ সোণালী শৈশৱ আৰু মদুৰ কৈশোৰ কাল। বহু পিতৃ-মাতৃয়ে আকৌ গাভৰু ছোৱালী ঘৰত ৰখাটো বিপদ বুলি ভাবি কৈশোৰ কালত ছোৱালীসকলক বিয়া দি দিয়ে ফলত কোমল বয়সতে সংসাৰৰ গধুৰ দ্বায়িত্ব কাণ্ড পাতি লব লগীয়া হয়। এই সকলোৰে মূলতে হৈছে পিতৃ-মাতৃ ! অভিভাৱক সকলৰ শিক্ষা স্বাস্থ আদিৰ ক্ষেত্ৰত সজাগতাৰ সম্পূৰ্ণ অভাৱ বাল্যবিবাহ নিৰ্মূলকৰণ আইনল শিশু শ্ৰমিক প্ৰতিৰোধ আইন, ঘৰুৱা হিংসা প্ৰতিৰোধ আইন আদি কেতিয়াবাই বলবৎ হৈছে যদিও বাগান এলেকাৰ লোকৰ কোনে সজাগতা নাই। ২০০৯ বৰ্ষতে বিনামূলীয়া আৰু বাধ্যতামূলক আৰু শিশু শিক্ষাৰ অধিকাৰ আইন বলবৎ কৰা হৈছিল যদিও চাহবাগিছাৰ লোকসকলক ঢুকি পাব পৰা নাই। শিক্ষাৰ ব্যৱস্থাটো ভাল নোহোৱাৰ বাবেই এই চাহবাগান এলেকাৰ লোকসকলৰ মাজত অন্ধবিশ্বাস, কু সংস্কাৰ আদি যথেষ্ট বেছি। এই বাগান এলেকাৰ পৰাই কেইবাজনো জন প্ৰতিনিধি আছে। চাহবাগানৰ জনগণৰ কল্যাণৰ হকে আছুতীয়া পূঁজিৰ ব্যৱস্থা আছে। কিন্তু দৰাচলতে তেওলোকৰ কল্যাণৰ নামত কি হৈ আছে সেয়া সন্দেহৰ বিষয়। শিক্ষা, স্বাস্থ, আইনী সজাগতা এই সকলো দিশত বাগান এলেকাৰ লোকসকল যথেষ্ট পিছ পৰিয়ে আছে। অপ্ৰিয় হলেও সত্য যে দশকৰ পিছত দশক ধৰি ৰাজনৈতিক লোকসকলে চাহজনগোষ্ঠীৰ লোকসকলক ভোটবেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। ভোট বেংক হেৰুৱাই বুলিয়ে অধিকাংশ লোকে চাহজনগোষ্ঠীৰ লোকসকল সজাগ হোৱাটো নিবাচাৰে। সেইবাবে তেওঁলোকৰ কল্যাণৰ নিমিত্তে গৃহীত পূঁজিসমূহৰ সঠিক ব্যৱহাৰ নহয়। সেয়েহে দশকৰ পিছত দশক ধৰি চাহ জনগোষ্ঠীৰ লোকসকলৰ স্থিতি একেই আছে। এই লোক সকলৰ মাজত সেইবাবেই সঘনাই হাইকাজিয়া, বিভিন্নধৰণৰ হত্যাকাণ্ড, ডাইনীৰ দৰে অন্ধবিশ্বাসৰ নামত হত্যাকাণ্ড আদি সংঘটিত হৈয়ে থাকে। কেৱল ভোট লাভৰ আশা কৰিয়ে আজিৰ একবিংশ শতিকাতো এই লোকসকল ইমান পিছ পৰি ৰোৱাটো আমাৰ চৰকাৰৰ এক অবিবেচক সিদ্ধান্ত বুলি নিঃসন্দেহে ক'ব পাৰি। আমি যদিহে এই বৃহৎ চাহ জনগোষ্ঠীৰ লোকসকলৰ সমাজৰ মূলসূঁতিলৈ অনাৰ ব্যৱস্থা কৰিব নোৱাৰো তেতিয়াহ'লে আমি বিকশিত অসমৰ কথা ক'লেও কোনো লাভালাভ নহ'ব। কেৱল কল্যাণকামী সংস্থাকেইটা মানেই চাহজনগোষ্ঠীৰ উন্নয়ন সম্ভ কৰিব নোৱাৰে। চৰকাৰখনে ভিন্ন পদক্ষেপৰ মাজেদি আগবাঢ়ি আহিব লাগিব চাহজনগোষ্ঠীৰ লোকসকলৰ মূল সূঁতিকৰণ কৰিববলৈ।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# ক'ভিডত স্বামীহাৰা মহিলালৈ আৰ্থিক সকাহ

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী বিধৱা মহিলালৈ

## ২.৫০ লাখ টকাৰ

একালীন সাহায্য

প্ৰথম পৰ্যায়ত ৮৭৪গৰাকী মহিলাক সাহায্য প্ৰদান কৰা হ'ব



### চৰ্তাৱলী

- হিতাধিকাৰী অসমৰ স্থায়ী বাসিন্দা হোৱাটো বাধ্যতামূলক
- মৃত্যুৰ তথ্য ৰাজ্যিক পৰ্যায়ৰ 'ক'ভিড ডেথ অডিট ব'ৰ্ড'ৰ দ্বাৰা প্ৰমাণীকৃত হ'ব লাগিব
- সৰ্বাধিক বাৰ্ষিক উপাৰ্জন ৫ লাখ টকা
- অৰুণোদয় আৰু বিধৱা পেঞ্চন আঁচনিৰ হিতাধিকাৰীৰ বাবেও সুবিধা উপলব্ধ
- চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত এই আঁচনি প্ৰযোজ্য নহয়

**JANASANYOG-1143/21**

সবিশেষ জানিবলৈ সংশ্লিষ্ট জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক

Register at assam.mygov.in | /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Follow Us /@diprassam | https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com


Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

২২ শাওণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 8 AUGUST, 2021

# অভিশপ্ত পৰশুকুণ্ড

**সুষমা গোস্বামী,**




যমদগ্নি নামেৰে, প্ৰখ্যাত এক মুনি
তেওঁৰ পুত্ৰ পৰশুৰাম, আছিল মহা জ্ঞানী ।
পত্নী তেওঁৰ ৰেণুকা দেৱী, আছিল মহাসতী
পতিব্ৰতা হৈও তেওঁ, নাপালে স্বিকৃতী ।
ৰেণুকা দেৱী পৰিল এদিন, স্বামীৰ ক্ৰোধানলে
তিনিসন্ধ্যা কালে সতী, দেহা বিসৰ্জীলে ।
দেখে মুনি পানী নাই, পূজাৰ স্থানে
নদীৰ তীৰলৈ বুলি, ৰেণুকাক পাঁচে ।
অমোঘাৰ ঔৰসে জন্মি, পুত্ৰ হৈল বন্দী
দেৱগণে চিন্তা কৰে দিবলৈ মুক্তি ।
স্বৰ্গৰ দেৱগণ বৰ ছলনাময়ী
ভাৱিপালে ৰেণুকাকহে উপযুক্ত বুলি ।
ছলনাৰে অপ্সৰাগণক মৰ্ত্তলৈ পথালে
পৰিগণে নদীৰ তীৰত, নৃত্য আৰম্ভিলে ।
নদীৰ তীৰত আহি সতী, হৈয়া উপস্থিত
দেখি নৃত্যৰ ছন্দত তেওঁ হ'ল মোহিত ।
ভুলিলে সকলো কথা, নিজকো গ'ল পাহৰি
পূজাৰ উদ্দেশ্যে সতী, নিব লাগে পানী ।
স্বামীৰ ক্ৰোধাগ্নী তাতে দুগুণে জ্বলিল
নালাগে এনে পত্নী অৱজ্ঞা বাঢ়িল।
শিৰচ্ছেদ কৰাম মই, আহক এত কালে
ধ্যনত জানিলে মুনি, পাৰিব পৰশুৰামে ।
কাষলৈ মাতি পুত্ৰক, মনৰ কথা ক'লে
কৰি বহু পলমে সতী, গৃহলৈ ঘূৰিলে ।
মুনিৰ বাক্য অমান্য কৰে, সাধ্য আছে কাৰ ?
নোলাব ত্ৰিজগতে, যদিহে কৰা যায় চলাথ ।
পিতৃ বাক্য মানি ৰামেও, কুঠাৰ ল'লে তুলি
আৰ্জ্জিলে মহাপাপ, মাতৃৰ শিৰচ্ছেদ কৰি ।
এদিন দুদিন কৰি বহু বছৰ গ'ল
তথাপিতো হাতৰ কুঠাৰ, হাততেই ৰ'ল ।
মহাপাপৰ জ্বালাত ৰাম, দহি দহি মৰে
অন্তৰ্য্যামী নাৰদে আহি বুজাবলৈ ধৰে ।
মাতৃহন্তা মহাপাপ তোমাৰ, হ'ব মোচন
যদিহে কৰা তুমি তীৰ্থ ভ্ৰমণ ।
তিব্বতৰ শিখৰত, অভিশাপে ভ্ৰষ্ট হৈ, আছে ব্ৰহ্মকুণ্ড
যোঁৱা ৰাম তালৈকে তুমি, কৰাগৈ তেওঁক মুক্ত ।
বৈ যাওক অভিশপ্ত পানীৰ যুৱলি তাৰ
হ'ব খণ্ডন পাপ তোমাৰ, খহিব কুঠাৰ ।
যমদগ্নিৰ পুত্ৰ ৰামে, বোৱোৱালে ঢাৰ
কৰিলে মোচন পাপ, খহিলে কুঠাৰ ।
সেই দিন ধৰি কুণ্ড, হ'ল অভিহিত
"পৰশুকুণ্ড" নামেৰে সৰ্ব্বজন বিদিত।।এ

# আৱেগক নিয়ন্ত্ৰণ কৰক

**কল্পনা দত্ত**

এখন পৰিষ্কাৰ বুলি দাবী কৰা ঘৰটো গৃহস্থই গম নোপোৱাকৈ কিছুমান দূষিত, ধুলি-মাকতি বা লেতেৰা বস্তু সোমাই থাকে। ঠিক তেনেকৈ সৎ মনোভাবৰ মাজতো খং, হিংসা, দুখ, উদ্বিগ্নতা আদিয়ে মনটো প্ৰদুষিত কৰি ৰাখে আৰু স্বাস্থ্যৰ ক্ষতি কৰে। মানৱ শৰীৰটো মনৰ দ্বাৰা পৰিচালিত হয় আৰু মনটো চলিত হয় আৱেগৰ দ্বাৰা। আমি সেয়ে কিছুমান আৱেগ নিয়ন্ত্ৰণ কৰি ৰাখিব লাগে। যেনে- খং বা ক্ৰোধ আমাৰ চেতন মনৰ অতি ভয়ানক আৱেগ। ই সদায় নিজৰ লগতে আনৰো ক্ষতি কৰে। প্ৰতিটো মানৱ শিশু পৃথিৱীত ভৰি দিয়ে কান্দে। এই কান্দোনৰ অপেক্ষাত থাকে পৰিয়ালৰ লোকসকল। মানৱ জীৱনৰ এইটোৱেই একমাত্ৰ কান্দোন যি কান্দোনেই সকলোকে হঁহুৱাব পাৰে। ইয়াৰ পিছৰ কান্দোন কাৰো কাম্য নহয় বাবে শিশুটিক মাকে নিচুকায়। ভাৰতীয় দৰ্শনৰ মতে এটা শিশুৱে কান্দি কান্দি আগমনৰ যি সংকেত দিয়ে তাৰ অৰ্থ হ'ল এই সংসাৰত মানৱে কান্দিবই লাগিব। কিন্তু ইয়াৰ পৰিসমাপ্তিত আছে আশাবাদ বা সুখবাদ। ইয়াৰ বাবে মানৱ জাতিক লাগিব সাহস, ধৈৰ্য, সততা, কৰ্ম্মস্পৃহা ইত্যাদি গুণ। আনন্দদায়ক আৱেগসমূহ প্ৰেম, শ্ৰদ্ধা, স্মৃতি, আনন্দ বিশ্বাস, নিৰাপত্তা আদিয়ে মানসিক



উৎকৰ্ষ সাধন কৰে। এইক্ষেত্ৰত পৰিৱেশৰ ভুমিকা অতি গুৰুত্বপূৰ্ণ। আমাৰ পঞ্চ ইন্দ্ৰিয়কে ধৰি মস্তিস্কটো হৈছে চলন্ত অৱস্থাত থকা এটা কেমেৰা, এই কেমেৰাই অহৰহ সমগ্ৰহ কৰি থকা দৃশ্যৱাদিয়ে শিশুৰ মানসিকতা গঢ় দিয়ে।
বেদনাদায়ক আৱেগসমুহে আমাৰ সানসিক আৰু শাৰীৰিক দিশত বিপৰীতধৰ্মী প্ৰভাৱ পেলায়। ইয়াৰ ইতিবাচক দিশটো হ'ল প্ৰফুল্ল চিত্ততা, ৰঙিয়াল অন্তৰ এখনে মহৌষধৰ দৰে কাম কৰে। আনন্দদায়ক আৱেগসমুহে জীৱনটো উপভোগ কৰাৰ শিক্ষা দিয়ে। প্ৰেম, শ্ৰদ্ধা, আনন্দ, বিনয়ী গুণে মনৰ প্ৰদূষণ দূৰ কৰি জীৱনটো আনন্দদায়ক কৰি তোলে।আৱেগসমুহৰ মাজত সকলোৰে কাম্য হ'ল প্ৰেম। খং ঈৰ্ষা, হিংসা, ভয়, আদিয়ে শৰীৰত নেতিবাচক প্ৰভাৱ পেলায়।নেতিবাচক আৱেগসমুহ সেয়েহে সদায় দমন কৰাৰ প্ৰচেষ্টাত থকা উচিত। কাৰণ বহু সময়ত আৱেগ নিয়ন্ত্ৰণৰ অভাৱত Psycosomatic ৰোগে দেখা দিব পাৰে।
মানুহৰ মনৰ আন এক আৱেগ হৈছে অহংকাৰ।অহংকাৰে মানুহক অন্ধ কৰি পেলায়। অহংকাৰ ত্যাগ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগে। তদুপৰি ক'লা ধন স্পৰ্শ নকৰা, কাৰো প্ৰতি কটুবাক্যৰ প্ৰয়োগন কৰা আদিয়ে মনটো পৱিত্ৰ কৰি ৰাখে।
মানুহৰ মনৰ দুখ-বেজাৰ আদি সম্পূৰ্ণ নোহোৱা কৰিব নোৱাৰি, মানুহেই একমাত্ৰ প্ৰাণী যি হাঁহিব আৰু কান্দিব পাৰে। আমাৰ কৰ্মেন্দ্ৰিয়সমূহক নৈতিকতাৰ জৰীৰ বান্ধি ৰাখিব পাৰিলে অশান্তিৰ পৰিৱৰ্তে শান্তি লাভ কৰিব পাৰি।
বাহিৰৰ প্ৰদূষণতকৈ মনৰ প্ৰদূষণে শৰীৰ, মন দুয়োটাকে অধিক ৰুগীয়া কৰি তোলে। প্ৰতিজন ব্যক্তিয়ে আত্মসংযম, আত্মবিশ্লেষণ, আত্মনিয়ন্ত্ৰণ আৰু আত্মবিশ্বাসক ঔষধ হিচাপে লৈ দূৰ কৰিব পাৰে মনৰ প্ৰদূষণ।

# সময়

**চাহিল ইছলাম**

সময়,
আছে জানো কাৰোবাৰ শক্তি
তোক ৰুধিবৰ।
তোৰ গতিশীল অভ্যাস
শক্তিৰে ভেদিবৰ।
হয়,
তোৰ গতিত বাধাৰ হেণ্ডাৰ দিব
পৰাতো কোনো নাই।
কিন্তু,
তোৰ প্ৰতিযোগী হৈ তোতকৈ বেগাই যোৱাৰ
ক্ষমতা বহুতৰে আছে।
সেইবোৰ কোনো দৈব্য-ঈশ্বৰ নহয়,
সিহঁতৰ দৈব্য শক্তি ও নাই,
সেইবোৰ হ'ল একো একোজন কৰ্মথ পুৰুষ।
বোৰতি নৈৰ বেগেৰে গৈও
তই পৰাজিত হবই লাগিব, সময়।
সেইজন পুৰুষৰ আগত পৰাজয় বৰণ
কৰিবই লাগিব তই।
কৰনীয় কৰ্ম কৰিবলৈ যিজনে
তোৰ নিৰ্ভৰশীল নহয়।
হ'ব পাৰ'
প্ৰতিজন নিষ্কৰ্মাৰ প্ৰতিদ্বন্দি,
কৰিব পাৰ'
কেৱল এলেহুৱাক হে তই বন্দী,
আজি প্ৰত্যাহ্বান জনালোঁ তোক
এজন সক্ৰিয় পৰিশ্ৰমিক
তই পৰাজিত কৰি দেখা
পাৰ' যদি......

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ-শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor : Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286